
পাঠ ৪

# পিঠাৰ মেল


অকমানিহঁতৰ ভঁৰালী কোঠাত
বিহু উৰুকা ৰাতি
পাচিত বহি পিঠাবোৰে
আছিল কথা পাতি।
চুঙা পিঠাই মাতিলে ঘপৰাই
“খোলাচাপৰীয়া বাই!
দেশৰ কথা,দহৰ কথা
শুনিছনে নাই?





টপাটপ ৰসৰ গোল্লা
মুখত সুমাব পাই
লাৰু আৰু পিঠাবোৰক হায়
ঘিণৰ চকুৰে চায়।
পিঠাৰ এই ঘোৰ অপমান
তালৈ কোনে কৰে কাণ,
এইদৰে হ'লে আমি বেছি দিন
জীয়াই থকাই টান।”

এই দেশত আৰু বেছি দিন
নাই আমাৰ ভাত”
“কিয় কৰ তেনে দুখ লগা কথা?”
সুতুলীয়ে দিলে মাত।
ফেনি পিঠায়ে দিলে উত্তৰ
ফেন উলিয়াই—
“হওঁতে আমাৰ চুঙা বোপাই
মিছা কোৱা নাই।
আজিকালি আৰু অকমানিয়ে
নাপায় আমাক চিনি,
লুচি লাগে, বিচ্‌কুট লাগে,
লাগে চাহ পানী।



কবি — অতুল চন্দ্ৰ হাজৰিকা

*(উৎস- সাহিত্যাচাৰ্য অতুল চন্দ্ৰ হাজৰিকাৰ 'শিশু সাহিত্য সম্ভাৰ', দ্বিতীয় খণ্ড, পৃষ্ঠা ৭৩৪, প্ৰকাশক - এছ. এইছ. এডুকেশ্বনেল ট্ৰাষ্ট, গুৱাহাটী ৭৮১০০৫। মূল পদ্যটো দীঘল। পাঠৰ উপযোগী কৰি সম্পাদনা কৰা হৈছে)।*

## ক্রিয়া-কলাপ

ক — পাঠভিত্তিক



**পদ্যটো শুদ্ধ আৰু স্পষ্ট উচ্চাৰণেৰে পঢ়া।**



**দলত ভাগ হৈ পদ্যটো আবৃত্তি কৰা।**



**'পিঠাৰ মেল' পদ্যটো কাহিনী আকাৰে কোৱা।**



**কোনে, কাক, কি প্ৰসংগত কৈছে ?**



(ক) "এই দেশত আৰু বেছি দিন
নাই আমাৰ ভাত।"

(খ) "কিয় কৰ তেনে দুখ লগা কথা?"

(গ) "লাৰু আৰু পিঠাবোৰক হায়
ঘিণৰ চকুৰে চায়।"



**বাকচত থকা শব্দবোৰৰ অৰ্থ তলত দিয়া আছে। অৰ্থবোৰৰ লগত শব্দ মিলাই খালী ঠাই পূৰ কৰা।**

| | | | |
|---|---|---|---|
| ভঁৰালী কোঠা | উৰুকা | পাচি | ঘপৰাই |
| ঘোৰ অপমান | টপাটপ | ঘিণ | |

**উদাহৰণ— অতি অসন্মান/অৱমাননা — <u>ঘোৰ অপমান</u>**

অকস্মাৎ ________

বিহুৰ আগদিনা ________

নিৰীক্ষণ পাছত শিক্ষকৰ চহী

শস্য আদি থবৰ বাবে বাঁহৰ কাঠিৰে সজা বহল মুখৰ সঁজুলি ...............

লৰালৰিকৈ কৰা কাৰ্য ...............

ঘৃণা, ভাল নোপোৱা ...............

বস্তু সামৰি থোৱা কোঠা ...............





**পদ্যটোত উল্লেখ থকা পিঠাৰ নামবোৰ পাচিৰ পৰা বিচাৰি উলিয়াই খালী ঠাইত লিখা।**

উদাহৰণ — চুঙা পিঠা

______________________

______________________

______________________

______________________

______________________

______________________

______________________






**উত্তৰ লিখা।**

(ক) খোলাচাপৰীয়া পিঠাক কোনে কি বুলি সম্বোধন কৰিছিল?

(খ) কি কি পিঠাই ‘পিঠাৰ মেল’ ত ভাগ লৈছিল?

(গ) অকমানিয়ে পিঠা, লাৰুৰ সলনি কি কি খাবলৈ বিচাৰে?

*☞ নিৰীক্ষণ পাছত শিক্ষকৰ চহী*

## খ — ভাষা অধ্যয়ন (ব্যাৱহাৰিক ব্যাকৰণ)

"চুঙা পিঠাই মাতিলে ঘপৰাই খোলাচাপৰীয়া বাই"

**'ঘপৰাই' শব্দটোৰ দৰে 'টপৰাই'** শব্দটোৱেও 'ততালিকে' **অৰ্থ প্ৰকাশ কৰে।**

**উদাহৰণ** — ক) ৰাজুৱে সকলো কথাতে ঘপৰাই মাতে।

খ) সি টোপনিৰ পৰা ঘপৰাই উঠিল।

গ) সকলো প্ৰশ্নৰ উত্তৰ ঘপৰাই দিয়া সহজ কথা নহয়।



**ওপৰত 'ঘপৰাই' শব্দটো ব্যৱহাৰ কৰি লিখাৰ** নিচিনাকৈ **'টপৰাই' শব্দটো ব্যৱহাৰ কৰি তিনিটা বেলেগ বেলেগ বাক্য লিখা।**

ক) ______________________________

খ) ______________________________

গ) ______________________________



**দলত** আলোচনা **কৰি শব্দবোৰৰ পাৰ্থক্য উলিয়াই একোটাকৈ বাক্য ৰচনা কৰা।**

উদাহৰণ — **পাঁতি (শাৰী অৰ্থত) — তামোলৰ পুলিবোৰ পাঁতি পাঁতিকৈ ৰুবা।**

**পাটী (ঢাৰি বা পাটী) — পাটীত বহি কণমইনাই সাধু শুনি আছে।**

| | | | | | |
|---|---|---|---|---|---|
| (ক) কথা | কঠা | (খ) পানী | পাণি | (গ) মাটি | মাতী |
| (ঘ) দিন | দীন | (ঙ) কালি | কালী | (চ) খালি | খালী |

☞ *নিৰীক্ষণ পাছত শিক্ষকৰ চহী*


## জানো আহা

"লাৰু **আৰু** পিঠাবোৰক হায় ঘিণৰ চকুৰে চায়।"

ওপৰৰ '**আৰু**' শব্দৰ দৰে আন কিছুমান শব্দ আছে যিবোৰৰ কোনো পুৰুষ, বচন আৰু বিভক্তিতেই ৰূপৰ সলনি নহয়।

যেনে— **এতেকে, বা, নতুবা, নাইবা, অথবা, কিন্তু, অথচ** আদি এনে ধৰণৰ শব্দ। এই শব্দবোৰকে **অব্যয় পদ** বোলা হয়।

**নাওখনত দিয়া অব্যয় পদেৰে তলৰ বাক্যকেইটা সম্পূৰ্ণ কৰা।**




(ক) ৰমলা .................... ৰহিমলা দুয়ো বাই-ভনী।

(খ) বিদ্যাই পৰম ধন .................... মনোযোগেৰে পঢ়া-শুনা কৰিব লাগে।

(গ) এটা ঘৰ .................... এখন চকীৰ ছবি আঁকা।

(ঘ) কাহিনী শুনিও .................... ৰস পোৱা যায়।

(ঙ) মই আজি খেলিবলৈ নাযাওঁ .................... কাইলৈ মোৰ পৰীক্ষা আছে।

নিৰীক্ষণ পাছত শিক্ষকৰ চহী

## গ — জ্ঞান সম্প্ৰসাৰণ


'আকস্মিক বক্তৃতা' অনুষ্ঠান পাতি তলৰ বিষয়বস্তুৰ বিষয়ে কোৱা।

| | | | |
|---|---|---|---|
| চুঙা পিঠা | উৰুকা | ৰসৰ গোল্লা (ৰসগোল্লা) | বিহুৱান |
| ফেনি পিঠা | বিহু | নাৰিকলৰ লাৰু | তিল পিঠা |


দলত আলোচনা কৰি লিখোঁ আহা—

(ক) তোমালোকৰ ঘৰত বিহু আৰু আন আন উৎসৱত কি কি পিঠা ভাজে আৰু পোৰে?

(খ) পদ্যটোত থকা পিঠাবোৰৰ বাহিৰে কি কি অসমীয়া পিঠা আৰু জলপানৰ নাম জানা?

(গ) তুমি দেখা আৰু খোৱা কিছুমান পিঠা আৰু লাৰুৰ ছবি আঁকি তাৰ তলত নামবোৰ লিখা।


যি কোনো এবিধ লাৰু বা পিঠাৰ প্ৰস্তুত প্ৰণালী সম্পৰ্কে ঘৰত সুধি টোকা বহীত লিখা।



## ঘ — প্ৰকল্প

- পদ্যটিৰ কথাখিনি নাটকৰ ৰূপত লিখি অভিনয় কৰা।

☞ *নিজ নিজ অঞ্চলৰ খোৱা বস্তুৰ নামেৰে আকস্মিক বক্তৃতা পাতিব।*
☞ *কাৰ্যবোৰ কৰাওঁতে প্ৰয়োজন অনুসৰি সহায় কৰিব।*



☞ *নিৰীক্ষণ পাছত শিক্ষকৰ চহী*

## পাঠটোৰ পৰা আহৰণ কৰিবলগীয়া অৰ্হতা

- পদ্যটো শুদ্ধ উচ্চাৰণেৰে পঢ়িব পৰা
- পদ্য আবৃত্তি কৰিব পৰা
- পদ্যটোৰ জৰিয়তে কথোপকথনৰ কৌশল আয়ত্ত কৰা
- ব্যংগ্যাত্মক পদ্যৰ ৰস আস্বাদন কৰিব পৰা
- পদ্যটোৰ কথাখিনি কাহিনী আকাৰে ক'ব পৰা
- পদ্যটো বুজি প্ৰশ্নৰ উত্তৰ দিব পৰা
- স্থানীয় পিঠা-পনা, লাৰু আদিৰ নাম জানি লিখিব পৰা
- অৰ্থৰ পাৰ্থক্য অনুসৰি বাক্য ৰচনা কৰিব পৰা
- অব্যয় পদৰ বিষয়ে জনা আৰু প্ৰয়োগ কৰিব পৰা
- আকস্মিক বক্তৃতাত অংশগ্ৰহণ কৰি বিভিন্ন বিষয় সম্পৰ্কে ক'ব পৰা
- পিঠা-পনা, লাৰু আদিৰ প্ৰস্তুত প্ৰণালীৰ বিষয়ে ধাৰণা লাভ কৰি ক'ব পৰা
- থলুৱা জা-জলপানসমূহ যে আমাৰ পৰম্পৰাগত জাতীয় খাদ্য সেই কথা জনা আৰু উপকাৰিতাৰ বিষয়ে বুজি পোৱা
- পদ্যটো নাটকৰ ৰূপ দি অভিনয় কৰিব পৰা

## শিকাৰুৰ পাঠভিত্তিক অৰ্হতাৰ মূল্যায়ন

| পদ্য | শুদ্ধ উচ্চাৰণেৰে পঢ়িব পৰা | আবৃত্তি কৰিব পৰা | পদ্যটোৰ কথাখিনি কাহিনী আকাৰে ক'ব পৰা | কথোপকথনত ভাগ ল'ব পৰা | পাঠভিত্তিক প্ৰশ্নৰ উত্তৰ দিব পৰা | শব্দাৰ্থ বুজি প্ৰয়োগ কৰিব পৰা |
|---|---|---|---|---|---|---|
| | | | | | | |
| ভাষা অধ্যয়ন (ব্যাৱহাৰিক ব্যাকৰণ) | অৰ্থানুসৰি বাক্য গঠন কৰিব পৰা | অৰ্থৰ পাৰ্থক্য থকা একে উচ্চাৰণৰ শব্দৰে বাক্য ৰচনা কৰিব পৰা | অব্যয় পদৰ বিষয়ে জনা আৰু ব্যৱহাৰ কৰিব পৰা | | | |
| | | | | | | |
| জ্ঞান সম্প্ৰসাৰণ | আকস্মিক বক্তৃতাত ভাগ ল'ব পৰা | থলুৱা জা-জলপানৰ নাম জনা আৰু ক'ব পৰা | পিঠাৰ প্ৰস্তুত প্ৰণালীৰ বিষয়ে লিখিব পৰা | লাৰু আৰু পিঠাৰ ছবি আঁকিব পৰা | | |
| | | | | | | |
| প্ৰকল্প | পদ্যটোৰ কথাখিনি নাটক আকাৰে লিখি অভিনয় কৰিব পৰা | | | | | |
| | | | | | | |

☞ অৰ্হতা আয়ত্ত হ'লে ওপৰৰ তালিকাখনৰ তলৰ খালী ঘৰত ✓ চিন দিব আৰু নহ'লে ✗ চিন দিব। অৰ্হতা আয়ত্ত নোহোৱা শিকাৰুক অতিৰিক্তভাৱে শিকাই পুনৰ মূল্যায়ন কৰিব।